কিৰগিজ গণৰাজ্যৰ বিছকেকত অনুষ্ঠিত 26 সংখ্যক এছচিঅ' শীৰ্ষ সম্মিলনত অংশগ্রহণ প্রধানমন্ত্রী মোদীৰ (ছেপ্টেম্বৰ 01, 2026)

প্রধানমন্ত্রী শ্রী নৰেন্দ্র মোদীয়ে আজি 2026 চনৰ 31 আগষ্টৰ পৰা 1 ছেপ্টেম্বৰলৈ কিৰগিজ গণৰাজ্যৰ বিছকেকত অনুষ্ঠিত হোৱা ছাংহাই সহযোগিতা সংস্থাৰ মুৰব্বী পৰিষদৰ 26 সংখ্যক বৈঠকত অংশগ্রহণ কৰে।

2. এই বছৰ এছচিঅ'ৰ 25 বছৰীয়া জয়ন্তী। এই উপলক্ষ্যে নেতাসকলে এছচিঅ'ৰ অগ্রগতিৰ বুজ লোৱাৰ লগতে অঞ্চলটোত শান্তি, নিৰাপত্তা, স্থিতিশীলতা আৰু সমৃদ্ধিৰ বাবে এছচিঅ'ৰ ভূমিকাক আগুৰাই নিয়াৰ বিষয়ত মত বিনিময় কৰে।

3. প্রধানমন্ত্রীয়ে তেওঁৰ ভাষণৰ আৰম্ভণিতে কিৰগিজ ৰিপাব্লিকৰ ৰাষ্ট্রপতি মহামহিম ছাদিৰ ঝাপাৰভ ডাঙৰীয়াক তেওঁৰ উষ্ম আতিথ্যৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। তেওঁ উল্লেখ কৰে যে এছচিঅ'ই মুকলি কৰা আলোচনা আৰু সহযোগিতাৰ শক্তিশালী পৰম্পৰাৰ ওপৰত ভিত্তি কৰি শীৰ্ষ সম্মিলনৰ 25 বছৰীয়া জয়ন্তী পৰৱর্তী 25 বছৰৰ বাবে কার্য পৰিকল্পনা গ্রহণৰ এক উপযুক্ত সময়। তেওঁ কয় যে যোৱা শীৰ্ষ সম্মিলনত ভাৰতে নিৰাপত্তা, সংযোগ আৰু সুযোগৰ দৃষ্টিভংগীৰ বিষয়ে আলোকপাত কৰিছিল। এতিয়া গোটটোৱে যৌথভাবে এই তিনিটা স্তম্ভত সুনির্দিষ্ট ফলাফল লাভ কৰিবলৈ কাম কৰিব লাগিব। তেওঁ ভাৰতৰ স্থিতিৰ কথা পুনৰ উল্লেখ কৰি কয় যে যুদ্ধৰ দ্বাৰা সংঘাতৰ সমাধান কৰিব নোৱাৰি , আলোচনা আৰু কূটনীতিয়েই একমাত্র আগুৰাই যোৱাৰ পথ। সন্ত্রাসবাদ মানৱতাৰ বাবে এক ভয়াৱহ ভাবুকি বুলি উল্লেখ কৰি তেওঁ সন্ত্রাসবাদৰ পৰিৱেশতন্ত্র ভাঙি পেলোৱাৰ বাবে সকলোকে ব্যৱস্থা গ্রহণৰ আহ্বান জনায়। তেওঁ বিশেষভাৱে জোৰ দি কয় যে সন্ত্রাসবাদৰ বিৰুদ্ধে যুঁজত কোনো ধৰণৰ দ্বৈত মান থাকিব নালাগে। ইউৰেছিয়া অঞ্চলৰ নিৰাপত্তা আফগানিস্তানৰ শান্তি আৰু স্থিতিশীলতাৰ সৈতে ওতঃপ্রোতভাৱে জড়িত বুলি উল্লেখ কৰি তেওঁ ভাৰতৰ উন্নয়ন তথা দেশখনক মানৱীয় সাহায্য প্রদানৰ বিষয়ত গ্রহণ কৰা পদক্ষেপৰ বিষয়ত আলোকপাত কৰে।

4. প্রধানমন্ত্রীয়ে লগতে কয় যে গোটটোৰ ভাগ-বাটোৱাৰা কৰা অগ্রগতি আৰু সমৃদ্ধিৰ বাবে শক্তিশালী তথা বিশ্বাসযোগ্য সংযোগৰ পদক্ষেপ গ্রহণ কৰাটো অতি গুৰুত্বপূর্ণ। বজাৰসমূহক সংযোগ কৰা, বাণিজ্য বৃদ্ধি কৰা আৰু উন্নয়নৰ বাবে নতুন সুযোগ মুকলি কৰাৰ প্রচেষ্টাক ভাৰতে সমর্থন কৰে বুলি উল্লেখ কৰি তেওঁ পুনৰ কয় যে এনে প্রচেষ্টাসমূহে দেশসমূহৰ সার্বভৌমত্ব আৰু ভূখণ্ডীয় অখণ্ডতাক সন্মান কৰা উচিত। তেওঁ কয় যে প্রযুক্তি, উদ্যোগীকৰণ, উদ্ভাৱন, ষ্টার্ট-আপ আৰু মানুহৰ পৰা মানুহলৈ গ্রহণ কৰা পদক্ষেপে এছচিঅ' দেশসমূহৰ

লোকসকলৰ বাবে অপৰিসীম সুযোগৰ দুৱাৰ মুকলি কৰিছে। এই সন্দর্ভত তেওঁ কিৰগিজস্তানৰ ৰাষ্ট্রপতিত্বৰ অধীনত যুৱক-যুৱতীসকলৰ সংযোগক গুৰুত্ব দিয়াৰ বিষয়টোৰ শলাগ লয়। প্রধানমন্ত্রীয়ে কয় যে ভাৰতে এছচিঅ' চিভিলাইজেছন ডাইলগ ফৰামৰ প্রথম সংস্কৰণ চলিত বর্ষৰ শেষৰ ফালে আয়োজন কৰি আনন্দিত হ'ব। সদস্য ৰাষ্ট্রসমূহৰ মাজত সভ্যতাবাদী আদান-প্রদান গঢ়ি তুলিবলৈ চেষ্টা কৰা ভাৰতৰ এয়া হৈছে ধ্বজ্বাবাহী পদক্ষেপ।

5. সন্মিলন বিছকেক ঘোষণাপত্রৰ উপৰি জলবায়ু, পাৰমাণৰিক সুৰক্ষা, শক্তি সংৰক্ষণ, ড্রাগছ আসক্তিৰ বিৰুদ্ধে যুঁজ দিয়াৰ পৰা আৰম্ভ কৰি শীর্ষ সন্মিলনত চাৰিখন বুজাবুজি চুক্তি আৰু বিশটাতকৈও অধিক সিদ্ধান্ত তথা বিবৃতি গ্রহণ কৰা হয়।

6. ভাৰতে কেইবাটাও পদক্ষেপৰ নেতৃত্ব দিছে আৰু সমর্থন কৰিছে, যিবোৰ বিছকেক ঘোষণাপত্রত স্থান পাইছে, যেনে চৰকাৰী ভাষা হিচাপে এছচিঅ' চনদত ইংৰাজী; চিভিলাইজেছন ডাইলগ ফৰাম; যুৱ বিজ্ঞানী মঞ্চ আৰু ইয়ং অথৰ'ছ কনক্লেভ আদি।

7. প্রধানমন্ত্রীয়ে সন্মিলনৰ সফল আয়োজনৰ বাবে ৰাষ্ট্রপতি মহামহিম ছাদিৰ ঝাপাৰোভক ধন্যবাদ জনায়। তেওঁ এছচিঅ' পৰিয়ালৰ সৈতে ভাগ-বাটোৰাৰা কৰা প্রগতি তথা সমৃদ্ধিৰ বাবে কাম কৰি যাবলৈ ভাৰতৰ প্রতিশ্রুতিৰ কথা পুনৰবাৰ প্রকাশ কৰে। প্রধানমন্ত্রীৰ সম্পূর্ণ ভাষণ ইয়াত চাব পাৰিব (লিংক)

বিছকেক

ছেপ্তেম্বৰ 01, 2026